অধ্যায় ৫ ঃ সামাজিক অনুষ্ঠানসমূহ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সামাজিক অনুষ্ঠানৰ ধাৰণা

- ৫.৩.১ অর্থ আৰু সংজ্ঞা
- ৫.৩.২ বৈশিষ্ট্য

৫.৪ পৰিয়াল

- ৫.৪.১ বৈশিষ্ট্য
- ৫.৪.২ প্ৰকাৰ
- ৫.৪.৩ কার্য্যাৱলী

৫.৫ শিক্ষা

- ৫.৫.১ শিক্ষাৰ সংজ্ঞা
- ৫.৫.২ শিক্ষাৰ কার্য্যাৱলী

৫.৬ ধর্ম

- ৫.৬.১ অর্থ আৰু বৈশিষ্ট্য
- ৫.৬.২ প্ৰকাৰ
- ৫.৬.৩ মানৰ সমাজত ধর্মৰ ভূমিকা নাইবা কার্য্যাৱলী

৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক অনুষ্ঠানৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ
- আধুনিক সমাজত কার্য্যকৰী হোৱা প্ৰধান সামাজিক অনুষ্ঠানসমূহ আলোচনা কৰিবলৈ
- এই অনুষ্ঠানসমূহৰ কার্য্যাৱলী আলোচনা কৰিবলৈ।

৫.২ পৰিচয়

এই অধ্যায়টোত আমি শিকিব পাৰিম যে আদর্শবোৰ এনেদৰে ঐক্যবদ্ধ হয় যে সমাজৰ

কেতবোৰ গুৰুত্বপূৰ্ণ কার্য্যাৱলী সম্পূৰ্ণ হয়। এইদৰে, প্ৰত্যেক সমাজত আমাৰ অৰ্থনৈতিক অনুষ্ঠান, ৰাজনৈতিক অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, পৰিয়াল, বিবাহ, বংশ ইত্যাদি আছে। এখন সমাজ যিমানেই বেছি জটিল আৰু পাৰ্থক্যযুক্ত হৈ পৰে, সিমানেই বেছি ইয়াৰ অনুষ্ঠানসমূহ বিচিত্ৰ হৈ পৰে। এই অনুষ্ঠানসমূহৰ প্ৰত্যেকে কেতবোৰ নিৰ্দিষ্ট আদৰ্শ আৰু প্ৰমূল্যক সামৰি লয়, যিয়ে মানুহৰ ব্যৱহাৰ বা আচৰণৰ দিগ্‌দৰ্শন কৰে। এই অনুষ্ঠানসমূহ আন্তঃসম্পৰ্কযুক্তও । এই অধ্যায়টোত আমি সামাজিক অনুষ্ঠানৰ অৰ্থ আৰু পৰিয়াল, শিক্ষা আৰু ধৰ্মৰ দৰে কেতবোৰ গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠানৰ বিষয়ে শিকিব পাৰিম।

৫.৩ সামাজিক অনুষ্ঠানৰ ধাৰণা

৫.৩.১ অৰ্থ আৰু সংজ্ঞা

সাধাৰণ ভাষাত আমি বিভিন্ন বস্তুক এক অতি শিথিল উপায়েৰে বুজাবলৈ প্ৰায়ে 'অনুষ্ঠান' শব্দটো ব্যৱহাৰ কৰো। উদাহৰণস্বৰূপে, আমি শিক্ষামূলক অনুষ্ঠানক স্কুল, নাইবা বিত্তীয় অনুষ্ঠানক বেংক বুলি কওঁ। সাধাৰণ অৰ্থত শিক্ষামূলক অনুষ্ঠান বিত্তীয় অনুষ্ঠান ইত্যাদিক যিদৰে এক অনুষ্ঠানৰ দ্বাৰা বুজোৱা হয়, তাতকৈ সমাজ বিজ্ঞানত এক অনুষ্ঠানৰ আছে এক বহল অৰ্থ আৰু পৰিসৰ।

সমাজ বিজ্ঞানত, অনুষ্ঠানৰ দ্বাৰা আমি বুজাও সামাজিক শৃংখলাৰ এক ব্যৱস্থা বা পদ্ধতিক যিয়ে সামাজিক জীৱনৰ গুৰুত্বপূৰ্ণ পৰিসৰত নিৰ্দ্ধাৰিত উপায়েৰে ব্যক্তিৰ আচৰণক প্ৰদৰ্শন কৰে। সেইবোৰ এখন সমাজত মানুহৰ দ্বাৰা উদ্ভাৱিত হয় আৰু প্ৰজন্মৰ বাবে অব্যাহত থাকে, যাতে সমাজৰ মসৃণ ক্ৰিয়া নিশ্চিত কৰিব পৰা যায়। আমি অনুষ্ঠানক এক সামাজিক ভাৱে প্ৰতিষ্ঠিত আৰু কাম কৰাৰ অনুমোদিত উপায় হিচাপে বৰ্ণনা কৰিব পাৰো। অন্য কথাত, আমি এক অনুষ্ঠানক কোনো কাম কৰাৰ এক সংগঠিত উপায় নাইবা পথ ৰূপে সংজ্ঞা দিব পাৰো।

সামাজিক অনুষ্ঠানসমূহ হৈছে সমাজত মানুহৰ প্ৰধান আৱশ্যকতাসমূহৰ বিষয়ে সাংস্কৃতিক আৰ্হিৰ সমষ্টি। আমি আহৰণ কৰিছো যে এখন সমাজত কেতবোৰ আইন বা বিধি আৰু আচৰণৰ প্ৰতিষ্ঠিত নমুনা আছে, যিয়ে আচৰণৰ নীতিগত নিৰ্দ্দেশাৱলীসমূহৰ যোগান ধৰে। এই আদৰ্শসমূহ অৰ্থাৎ আচৰণ আৰু প্ৰমূল্যৰ মানবিশিষ্ট ৰূপসমূহে মানুহে কেনেকৈ আচৰণ আৰু সমাজত তেওঁলোকৰ ভূমিকা পালন কৰাটো উচিত, তাৰ পথ প্ৰদৰ্শন কৰে। ফ্ৰাঞ্চিচ্ ই-মেৰিল্ (Francies E Merrill) ৰ মতে, "অনুষ্ঠানসমূহ বেছি নিয়মীয়াকৃত আৰু আনুষ্ঠানিক, আৰু সেয়ে আন আৰ্হিসমূহৰ পৰা পৃথক। ইহঁতে সন্মুখীন হোৱা প্ৰয়োজনীয়তা সমূহ, ইহঁতে আগবঢ়োৱা প্ৰমূল্যসমূহ আৰু ইহঁতে যোগান ধৰা নিৰ্দ্দেশনাসমূহ ইমান গুৰুত্বপূৰ্ণ যে প্ৰত্যেক সমাজে কম গুৰুত্বপূৰ্ণ আচৰণৰ তুলনাত আনুষ্ঠানিক আচৰণক বেছি আনুষ্ঠানগতভাৱে সংগঠন কৰে।" (Institutions are

more regularised and formal, and hence difer from other patterns. The needs they meet, the values they serve, and the directions they provide are so important that every society organizes institutional behaviour more formally than the lesser important behaviour.) এইবোৰ এটা সমষ্টি নাইবা দল জীয়াই থকাৰ বাবে আৱশ্যকীয়। সেয়ে, নৃত্য, কথা-বার্তাৰ ক্ষন্তেকীয়া চানেকী আৰু ইজনৰ পৰা সিজনলৈ প্রচলিত শৈলী আৰু চখ্‌বোৰ অনুষ্ঠান নহয়। আনহাতে, কিছুমান আচৰণৰ আৰ্হি বহু বেছি নিয়মীয়াকৃত আৰু আৰ্হিস্বৰূপ হৈ পৰে, আৰু কেতবোৰ মৌলিক সামাজিক প্রয়োজনীয়তা পৰিপূর্ণ কৰে, উদাহৰণস্বৰূপে-বিবাহ। বিবাহে বংশবৃদ্ধিৰ মৌলিক প্রয়োজনীয়তা, নিয়ন্ত্রিত যৌন সম্পর্ক আৰু স্বামী-স্ত্রীৰ মাজত পাৰস্পৰিক সামাজিক-অর্থনৈতিক সম্পর্ক পৰিপূর্ণ কৰে, যাতে এইবোৰৰ সৈতে জড়িত আচৰণ সমাজত আৰ্হিস্বৰূপ আৰু নিয়মীয়াকৃত হৈ পৰে। এইদৰে বিবাহ এক অনুষ্ঠান, সেয়ে অনুষ্ঠানসমূহ আচৰণৰ আন আৰ্হিতকৈ বেছি স্থায়ী।

সেইবাবে অনুষ্ঠানসমূহ হৈছে আচৰণৰ প্রতিষ্ঠিত আচৰণৰ পদ্ধতি বা আৰ্হি, যিবোৰ সমাজৰ দ্বাৰা স্বীকৃত আৰু সমাজৰ কেতবোৰ মৌলিক প্রয়োজনীয়তা ই পূৰণ কৰে। প্রত্যেক সমাজতে কিছুমান অনুষ্ঠান সার্বজননীভাৱে বিস্তৃত হৈ থাকে। সেইবোৰ হৈছে পৰিয়াল, আত্মীয়, বিবাহ, অর্থনৈতিক আৰু ৰাজনৈতিক অনুষ্ঠানসমূহ। অন্য কথাত, এইবোৰ আচৰণৰ আশানুৰূপ পদ্ধতি আৰু আচৰণৰ নিজতেই প্রতিবিম্বিত হয়।অনুষ্ঠানসমূহ আন্তঃসম্পর্কযুক্ত হয়; উদাহৰণস্বৰূপে- ১৯৫৪ চনৰ বিশেষ বিবাহ আইন (Special Marriage Act 1954) খন ভাৰতীয় সংসদৰ এক ফলাফল, যি হৈছে এক ৰাজনৈতিক অনুষ্ঠান। এই আইনখন ৰাজনৈতিক অনুষ্ঠানৰ এক উদাহৰণ। এই আইন খন বিবাহৰ অনুষ্ঠানৰ লগত জড়িত।

অনুষ্ঠানৰ লগত জড়িত চর্চা আৰু পৰম্পৰাবোৰ সময় অনুযায়ী পৰিৱর্তিত হয় আৰু সমাজভেদে বেলেগ বেলেগহয়, কিন্তু কিছুমান অনুষ্ঠান প্রায় সকলোতে আৰু সকলো সময়তে দেখিবলৈ পোৱা যায়। পৰিয়াল হৈছে অনুষ্ঠানৰ এক সর্বত্র স্বীকৃত উদাহৰণ। সকলো সমাজতে ইয়াক দেখিবলৈ পোৱ যায় আৰু ই সদায় কিছুমান আকাৰত নাইবা আন প্রকাৰে অস্তিত্বশীল। ই আমাক সংঘ বা সাহচর্য্যৰ ধাৰণালৈ লৈ যায়। সংঘ বা সাহচর্য্য হৈছে মানুহৰ এক সমষ্টি নাইবা দল, আনহাতে অনুষ্ঠান এটাই নির্দেশ কৰে এটা বিশেষ দল বা সমষ্টিৰ কার্য্য কৰাৰ এক পদ্ধতি নাইবা উপায়ক।

সংজ্ঞা ঃ আমি এটা অনুষ্ঠানক বর্ণনা কৰাৰ সাধাৰণ পথটো হৈছে যে ই হৈছে কাম কৰাৰ এক সামাজিকভাৱে প্রতিষ্ঠিত আৰু সমর্থিত উপায় বা পথ। সমাজত প্রত্যেক দল নাইবা সমষ্টিৰে নিজস্ব মূল্য আছে, যাক অতি গুৰুত্বপূর্ণ ৰূপে ধৰা হয় আৰু বেছি ভাগ দলৰে কার্য্যাৱলী ইয়াক কেন্দ্র কৰি পৰিচালিত হয়। পুনৰাবৃত্তিৰ জৰিয়তে এই

কার্য্যাৱলীসমূহ আচৰণৰ আৰ্হি ৰূপে প্ৰতিষ্ঠিত হৈ পৰে, যিবোৰ দলৰ সদস্যসমূহৰ দ্বাৰা যথার্থ আৰু উপযুক্ত ৰূপে বিবেচিত হয়। যিকোনো প্ৰস্থান বা বিচ্যুতিক গুৰুত্বপূর্ণ অপৰাধ ৰূপে গণ্য কৰা হয়। এতেকে সমাজত এটা নির্দিষ্ট কাম কৰা নাইবা সম্পন্ন কৰাৰ এক নির্দিষ্ট উপায় গৃহীত হয় আৰু এনেদৰেই এটা অনুষ্ঠান হৈ পৰে।

এই 'অনুষ্ঠান' (Institution) শব্দটোৰ সংজ্ঞা বিভিন্ন সমাজবিদ বিভিন্ন প্ৰকাৰে আগবঢ়াইছে। মেক্আইভাৰ (Maciver) আৰু পেজ (Page) য়ে অনুষ্ঠানক 'দল বা সমষ্টিৰ কার্য্যাৱলীৰ কার্য্যপ্রণালী বৈশিষ্ট্যৰ প্রতিষ্ঠিত ৰূপ, (established forms of procedure characteristics of group activities) হিচাপে সংজ্ঞা আগবঢ়াইছে। গিনচ্বার্গ (Ginsberg) ৰ মতে, "সামাজিক অনুষ্ঠানক ব্যক্তি আৰু দলৰ মাজৰ সম্পর্কক পৰিচালনা কৰাৰ গৃহীত আৰু প্রতিষ্ঠিত প্রয়োগ-বিধি ৰূপে বর্ণনা কৰিব পৰা যায়।" গ্রাহাম চাম্নাৰ (Graham Sumner) য়ে অনুষ্ঠানৰ সংজ্ঞা আগবঢ়াইছে "এক ধাৰণা আৰু এক গাঁথনি। ধাৰণাই বুজায় ভাৰ, মতবাদ নাইবা মনোযোগ আৰু গাঁথনিয়ে বুজাইছে এক ধ্যান-ধাৰণাৰ গাঁথনি, নাইবা সঁজুলি, নাইবা সম্ভৱতঃ এক নির্দিষ্ট ঘটনা সংযোজনৰ নির্দ্দেশিত উপায় বা পথত সহযোগিতা কৰিবলৈ সাধাৰণ বিষয়াৰ কেৱল এক সংখ্যা মাত্র।"

এতেকে, এই লেখকসকলকে কেৱল পদ্ধতিৰ নীতি-নিয়মসমূহ, যিয়ে সংঘ নাইবা দলক পৰিচালিত কৰে, তাক বুজাবলৈ হে 'অনুষ্ঠান' শব্দটো এক সীমিত অর্থত ব্যৱহাৰ কৰিছে। আন কিছুমান লেখকে 'অনুষ্ঠান' শব্দটো গাঁথনি আৰু পদ্ধতিৰ ৰূপক অন্তর্গত কৰিবলৈ এক বহল অর্থত ব্যৱহাৰ কৰিছে। এনে অর্থত আমি বেছিভাগে ইয়াৰ দ্বাৰা পৰিয়াল, চৰকাৰ, মহাবিদ্যালয় নাইবা বিশ্ববিদ্যালয় আদিক 'অনুষ্ঠান' হিচাপে নির্দেশ কৰো।

সামাজিক অনুষ্ঠানসমূহ আদর্শমূলক গাঁথনি। এই অনুষ্ঠানসমূহৰ মাজেৰে পৰিয়াল, শিক্ষা, অর্থনীতি আৰু ৰাজনীতি আৰু ধর্মক কেন্দ্র কৰি মূল কার্য্যাৱলীসমূহ সম্পন্ন কৰা হয়। সামাজিক অনুষ্ঠানসমূহ আৰ্হি নাইবা কেতবোৰ ঘটনা আদিৰ ক্রম, যিয়ে মানুহৰ বহুমুখী কার্য্যত তেওঁলোকৰ ব্যৱহাৰ বা আচৰণক পৰিচালিত কৰে।

৫.৩.২ বৈশিষ্ট্যসমূহ

সামাজিক অনুষ্ঠানৰ কেতবোৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য আছে -

- সামাজিক অনুষ্ঠানসমূহ যৌথ বা উমৈহতীয় প্রকৃতিৰ।
- সামাজিক অনুষ্ঠানসমূহ সামাজিক অভিযোজনৰ ব্যৱস্থা, যিয়ে সামাজিক জীৱনৰ গুৰুত্বপূর্ণ পৰিসৰত এক নির্দেশিত ধাৰাত সমাজত ব্যক্তিৰ আচৰণৰ পথ প্রদর্শন কৰে।
- এখন সমাজত এইবোৰ মানুহৰ দ্বাৰাই সৃষ্ট হয় আৰু প্রজন্মৰ বাবে চলি থাকে

যাতে সমাজৰ মসৃণ কার্য্যকাৰিতা নিশ্চিত কৰিব পৰা যায়।

- সামাজিক অনুষ্ঠানসমূহ বিশ্বজনীন। এইবোৰক সকলো সমাজত সকলো সময়তে থকা দেখিবলৈ পোৱা যায়।
- অনুষ্ঠানসমূহ মানুহৰ মৌলিক সামাজিক প্রয়োজনীয়তাক সন্তুষ্ট কৰাৰ উপায় বা পথ।
- অনুষ্ঠানসমূহে মানৱ আচৰণক পৰিচালিত কৰে। এইবোৰ সামাজিক নিয়ন্ত্রণৰ উপায় বা পথ।
- অনুষ্ঠানসমূহৰ ইয়াৰ বিষয়বস্তুৰ ক্ষেত্রত আপেক্ষিকভাৱে স্থায়ী হয় আৰু প্রকৃতিগতভাৱে অমুর্ত্ত হয়।

বিভিন্ন অনুষ্ঠান সমূহ আন্তঃসম্পর্কযুক্ত হয়। পিছৰ স্তৱকসমূহত আমি বিভিন্ন অনুষ্ঠানসম্পর্কীয় গাঁথনিক পৃথকে পৃথকে আলোচনা কৰিম। ই আদর্শমূলক অনুষ্ঠানিক গাঁথনিসমূহৰ এক ধাৰণা প্রদান কৰিব আৰু বাস্তৱৰ লগত ইয়াৰ তুলনা কৰিব যাতে ইয়াৰ প্রত্যেক প্রধান কার্য্যাৱলীত কি ঘটি থাকে তাক বুজিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলৰ বক্তব্যকেইটা সত্য নে অসত্য উল্লেখ কৰা ঃ

ক) সামাজিক অনুষ্ঠানসমূহ সমাজত মানুহৰ প্রধান আৱশ্যকতাবোৰৰ বিষয়ে সাংস্কৃতিক আর্হিৰ এক সমষ্টি। (সত্য/অসত্য)

খ) ১৯৫৪ চনৰ 'বিশেষ বিবাহ আইন' খন ৰাজনৈতিক অনুষ্ঠানৰ এক উদাহৰণ নহয়। (সত্য/অসত্য)

গ) সামাজিক অনুষ্ঠানসমূহ আদর্শমূলক গাঁথনিৰ। (সত্য/অসত্য)

ঘ) অনুষ্ঠানসমূহে মানৱ আচৰণক পৰিচালিত নকৰে। (সত্য/অসত্য)

ঙ) সামাজিক অনুষ্ঠানসমূহ উমৈহতীয়া নাইবা যৌথ প্রকৃতিৰ হয়। (সত্য/অসত্য)

প্রশ্ন নং ২ঃ অনুষ্ঠান বুলিলে কি বুজা?

.....

.....

প্রশ্ন নং ৩ঃ সামাজিক অনুষ্ঠানৰ এটা উদাহৰণ দিয়া।

.....

.....

৫.৪ পৰিয়াল

পৰিয়াল হৈছে মৌলিক সামাজিক অনুষ্ঠান। ই আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাথমিক সমষ্টি আৰু প্ৰায় সকলো মানুহেই কেতবোৰ পৰিয়ালত ডাঙৰ-দীঘল হয়। পৰিয়াল হৈছে এজন পিতৃ, এগৰাকী মাতৃ আৰু এক নাইবা ততোধিক ল'ৰা-ছোৱালীৰে সংগঠিত এটা সৰু সামাজিক গোট নাইবা সমষ্টি। সমাজভেদে পৰিয়াল বেলেগ বেলেগ হয়। পৰিয়ালৰ সদস্যসমূহৰ মাজৰ সম্পৰ্কক মানুহৰ আটাইতকৈ পুৰণি সামাজিক অনুষ্ঠান হিচাপে ধৰা হয়। ইয়াৰ সমাজত পৰিবৰ্তন নিবিষ্ট কৰাৰ সক্ষমতা আছে।

বাৰ্গিজ্ (Burgees) আৰু লক্ (Locke) ৰ মতে "পৰিয়াল হৈছে কেইজনমান লোকৰ সমষ্টি, যাক বিবাহ, ৰক্ত নাইবা পোষ্য গ্ৰহণৰ বান্ধোনেৰে গঠিত হোৱা এখন গৃহস্থলী, য'ত তেওঁলোকৰ নিৰ্দিষ্ট সামাজিক ভূমিকা যেনেঃ স্বামী আৰু স্ত্ৰী, পিতৃ আৰু মাতৃ, পুত্ৰ আৰু পুত্ৰী আৰু ভাতৃ আৰু ভগ্নী হিচাপে ইজনে সিজনৰ লগত ভাৰ বা তথ্যৰ আদান-প্ৰদান (যোগাযোগ) কৰি এক সমূহীয়া সংস্কৃতিৰ সৃষ্টি কৰে।' (Family is a group of persons united by ties or marriage, blood or adoption constituting a single household interacting and intercommunicating with each other in their respective social roles of husband and wife, father and mother, son and daughter, brother and sister, creating a common culture.)

জি.পি. মাৰড'কৰ মতে, "পৰিয়াল হৈছে 'এক সামাজিক গোট, যাৰ চাৰিত্ৰিক বৈশিষ্ট্য হৈছে সামূহীক আৱাস, অৰ্থনৈতিক সহযোগিতা আৰু প্ৰজণন । ইয়াত দুয়োটা লিঙ্গৰ প্ৰাপ্তবয়স্ক লোক অন্তৰ্ভূক্ত হয়, যাৰ কমেও দুজনে সামাজিকভাৱে অনুমোদিত যৌন সম্পৰ্ক ৰক্ষা কৰে আৰু এটা নাইবা ততোধিক সন্তান, যি নিজা বা পোষ্য (adopted) গৃহীত হয়। " (A social group characterized by common residence, economic cooperation and reproduction. It includes adults of both sexes, at least two of them maintain a socially approved sexual relation and one or more children, own or adopted of the sexually cohabiting adults.)

৫.৪.১ বৈশিষ্ট্যসমূহ

পৰিয়ালৰ বৈশিষ্ট্যসূচক চৰিত্ৰসমূহ তলত দিয়াৰ দৰে—

- ই সাৰ্বজনীন (It is universal): সকলো মানৱ সমাজত পৰিয়ালৰ উপস্থিতি থাকে।
- আবেগিক ভিত্তি (Emotional basis): ই আমাৰ জৈৱিক প্ৰকৃতি যেনে ঃ সহবাস, প্ৰজনন, মাতৃসুলভ আসক্তি আৰু পিতৃসুলভ শুশ্ৰূষাৰ আটাইতকৈ গভীৰ আৱেগ অনুভূতিৰ ওপৰত ভিত্তিশীল। গৌণ আৱেগৰ ভিতৰত আছে

কল্পনা প্ৰৱণ প্ৰেম, ভালপোৱা, অৰ্থনৈতিক নিৰাপত্তাৰ বাবে ইচ্ছা বা আকাংক্ষা, চিৰস্থায়িতাৰ বাবে আকাংক্ষা।

- সীমিত আকাৰ (Limited size): পৰিয়ালৰ আকাৰ সীমিত।
- সামাজিক গাঁথনিত পৰিয়ালৰ একক স্থান (Neuclear Position in Social structure) সৰলতম সমাজসমূহত সমগ্ৰ সমাজখন পৰিয়ালৰ ওপৰতে গঢ় লৈ উঠে। জটিল সমাজসমূহতো আটাইতকৈ আৱশ্যকীয় অনুষ্ঠানৰূপে ই চলি থাকে।
- সভ্য বা সদস্যসকলৰ দায়বদ্ধতা (Responsibility of the members): ই সকলো সামাজিক অনুষ্ঠানৰে অতি কষ্টসাধ্য ব্যাপাৰ। ব্যক্তিগত সদস্যসকলৰ বাধ্য-বাধ্যকতা আৰু দায়বদ্ধতা যিমান দূৰলৈ জড়িত, তেওঁলোকৰ দায়বদ্ধতা সকলো সামাজিক অনুষ্ঠানৰ বাবে আটাইতকৈ দাবীদায়ক।
- সামাজিক বিধি বা আইন (Social Regulations): সামাজিক আদৰ্শ আৰু মূল্য অনুযায়ী পৰিয়ালে ইয়াৰ সদস্যসমূহৰ আচৰণ নিয়ন্ত্ৰণ কৰে।
- পৰিয়ালৰ সাময়িক আৰু অপৰিবৰ্তনীয় প্ৰকৃতি (Temporary and unchanging nature of family) পৰিয়ালৰ যি অনুষ্ঠান, সি চিৰস্থায়ী আৰু সাৰ্বিক, কিন্তু এক সংঘ বা সম্পৰ্ক হিচাপে পৰিয়ালে মৃত্যু, নৱ-জন্ম, প্ৰব্ৰজন আৰু বিচ্ছেদৰ বাবে ইয়াৰ গাঁথনিৰ পৰিবৰ্তন ঘটায়।
- ই প্ৰকৃতিগতভাৱে দ্বিপাক্ষিক (It is bilateral in nature) ইয়াৰ দ্বাৰা পিতৃ পক্ষৰ আত্মীয় আৰু মাতৃ পক্ষৰ আত্মীয় উভয়কে সম গুৰুত্ব প্ৰদান কৰাটোক বুজোৱা হয়। হিন্দু সমাজত বংশ বা গোত্ৰ আৰু জাতিৰ দৰে আন কিছুমান গোটত কেৱল পিতৃ পক্ষৰ আত্মীয় সকলহে অন্তৰ্ভুক্ত হয়। খাচী আৰু গাৰোৰ দৰে মাতৃপ্ৰধান সমাজত বংশৰ সদস্য সকল কেৱল মাতৃৰ পক্ষতহে অন্তৰ্ভুক্ত হয়। কিন্তু সকলো সমাজতে পৰিয়ালে উভয় পক্ষৰে সদস্যসকলক অন্তৰ্ভুক্ত কৰে, যিহেতু স্বামী-স্ত্ৰী দুয়ো বেলেগ বেলেগ ফৈদৰ অন্তৰ্গত।

৫ .৪.২ প্ৰকাৰ

বিভিন্ন দৃষ্টিকোণৰ পৰা পৰিয়ালক চাব পৰা যায়। পৰিয়ালৰ গাঁথনিৰ দৃষ্টিকোণৰ পৰা আমি ইয়াক দুটা বহল শ্ৰেণীত বিভক্ত কৰিব পাৰো।

- একক পৰিয়াল (Nuclear family): ইয়াক সৰল, মৌলিক নাইবা প্ৰাথমিক পৰিয়াল বুলিও জনা যায়। ই এজন পুৰুষ, তেওঁৰ স্ত্ৰী আৰু তেওঁলোকৰ সন্তানৰ দ্বাৰা গঠিত। ই সমসাময়িক পাশ্চাত্য আৰু ভাৰতীয় সমাজৰলগতে কিছুমান জনগোষ্ঠীৰ মাজতো অতি পৰিচিত।
- যৌথ পৰিয়াল (Joint Family) যদি দুই বা ততোধিক প্ৰাথমিক বা একক

পৰিয়ালে এটা উমৈহতীয়া ৰান্ধনীশাল আৰু এটা উমৈহতীয়া উপাৰ্জনৰ সৈতে একেলগে বসবাস কৰে, তেতিয়া এনেধৰণৰ পৰিয়ালক যৌথ পৰিয়াল বোলা হয়। হিন্দু যৌথ পৰিয়াল এনেধৰণৰ পৰিয়ালৰ এটা আটাইতকৈ ভাল উদাহৰণ, য'ত কেইবাজনো ককাই-ভাই- আৰু তেওঁলোকৰ পিতৃ-মাতৃ একেলগে বাস কৰে।

এজন ব্যক্তিৰ দৃষ্টিকোণৰ ফালৰ পৰা পৰিয়ালক দুটা প্ৰকাৰত বিভক্ত কৰিব পৰা যায়ঃ

- জন্ম পৰিয়াল (Family of orientation): এই পৰিচয় যেতিয়া এটা শিশুৱে জন্মগ্ৰহণ কৰে, তেতিয়া পিতৃ-মাতৃৰ পুত্ৰ নাইবা পুত্ৰী হিচাপে সেই পৰিয়ালত পৰিচয় লাভ কৰে।
- প্ৰজননৰ পৰিয়াল (Family of procreation): এইটো এটা পৰিয়াল যাক এজন লোকে তেওঁৰ বিবাহৰ পাছত প্ৰতিষ্ঠা কৰে। এই পৰিয়ালত সন্তানৰ পিতৃ নাইবা মাতৃ হিচাপে এজনৰ পৰিচয় হয়।

যেতিয়া পিতৃ-মাতৃৰ বাবে ই প্ৰজননৰ পৰিয়াল হয়, ল'ৰা-ছোৱালীৰ বাবে এই একেটা পৰিয়ালেই হয় ---? পৰিয়াল।

বাসস্থানৰ ওপৰত ভিত্তি কৰি পৰিয়ালক তলৰ শ্ৰেণীসমূহত বিভক্ত কৰা যায় ঃ

- পিতৃ স্থানীয় পৰিয়াল (Patrilocal family) : যদি বিবাহৰ পাছত কইনাজনীয়ে দৰাজনৰ পিতৃ-মাতৃৰ ঘৰত বাস কৰে, তেন্তে ইয়াক পিতৃস্থানীয় পৰিয়াল বুলি জনা যায়।
- মাতৃ স্থানীয় পৰিয়াল (Matrilocal family): এই প্ৰকাৰৰ পৰিয়ালত, দৰাজনে বিবাহৰ পাছত কইনাৰ পিতৃ-মাতৃৰ ঘৰত বাস কৰিবলৈ লয়। মেঘালয়ৰ খাচী, গাৰো আৰু জয়ন্তীয়া সকলৰ মাজত এনেধৰণ পৰিয়াল থকা দেখিবলৈ পোৱা যায়।

৫.৪.৩ কাৰ্যাৱলী

কিনছ্লে ডেভিচৰ মতে পৰিয়ালৰ প্ৰধান সামাজিক কাৰ্য্যাৱলীসমূহ হৈছে ঃ

- প্ৰজনন (Reproduction)
- তত্বৱধান (Maintenance)
- তৰুণসকলৰ সামাজিক প্ৰতিষ্ঠান (Social Replacement of the young) আৰু
- সামাজিকীকৰণ (Socialization)

আমি পৰিয়ালৰ কাৰ্য্যাৱলীসমূহক আন এক প্ৰকাৰে তলত দিয়াৰ দৰে বিস্তৃত বিৱৰণ দিব পাৰো ঃ

- জৈৱিক কার্য্য (Biological Function): পৰিয়ালৰ মূল কার্য্য হৈছে ল'ৰা-ছোৱালী জন্ম দিয়া। এই কার্য অতি গুৰুত্বপূর্ণ, যেতিয়াৰে পৰা প্রজাতিবোৰে ইয়াৰ ওপৰত নির্ভৰ কৰিছে তেতিয়াৰে ই তেতিয়াৰে পৰা অবিৰতভাৱে চলি আহিছে। এই পদ্ধতিটোত পৰিয়ালে সদস্যসমূহক সমাজত নিয়ন্ত্রণ আৰু নিয়মীয়াকৰণ কৰে।
- সামাজিকীকৰণ কার্য্য (Socializing funciton): দ্বিতীয়টো কার্য হৈছে ল'ৰা-ছোৱালীক এটা স্তৰলৈ লালন-পালন কৰা, যাতে সমাজে তেওঁলোকক সাধাৰণ প্রাপ্তবয়স্ক ৰূপে গ্রহণ কৰিব পাৰে। পৰিয়ালৰ নিৰ্দ্ধপিত কাম হৈছে সমাজৰ দ্বাৰা অনুমোদিত পথেৰে ব্যক্তিৰ উদ্যম, বাসনা, আৰু আকস্মিক আৱেগসমূহক গতি দিব পাৰে।
- পুষ্টিজনিত কার্য্য (Sustenance function): সমাজে পৰিয়ালৰ পৰা আশা কৰা তৃতীয়টো কার্য্য হৈছে ইয়াৰ সদস্যসকলক পুষ্টি বা আহাৰাৰ যোগান ধৰা। এইদৰে পৰিয়ালে সদস্যসকলক দৈনন্দিন প্রয়োজনীয় আহাৰ, বাসস্থান, পোচাক, শুশ্রূষা আৰু ব্যক্তিগত সুৰক্ষা যোগানৰ দ্বাৰা বর্তাই ৰাখে। এইসমূহ অতি গুৰুত্বপূর্ণ কার্য্য সম্পন্ন কৰি পৰিয়ালে সমাজত এক অতি তাৎপর্য্যপূর্ণ ভূমিকা পালন কৰে।
- সম্পত্তি প্রেৰণ (Property transmission): এই অনুষ্ঠানক অর্পন কৰা চতুর্থটো কার্য্য হৈছে সম্পত্তি ৰক্ষা আৰু প্রেৰণ কৰা। সমাজভেদে নিয়মসমূহ বেলেগ বেলেগ হয়, কিন্তু সাধাৰণতে সম্পত্তি ৰক্ষা আৰু প্রেৰণ পৰিয়ালৰ জৰিয়তেই হয়।
- সংস্কৃতি প্রেৰণ (Transmission of property): এটা প্রজন্মৰ পৰা আন এটালৈ সাংস্কৃতিক পৰম্পৰাৰ এজন প্রেৰক হিচাপেও পৰিয়ালে কাম কৰে।



চিন্তা চর্চা কৰক ঃ ৫.১

ক) পৰিয়ালৰ দ্বাৰা সম্পাদিত আন কিছুমান কার্য্য ভাবি উলিওৱা।

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ গাঁথনি অনুসৰি পৰিয়ালৰ বিভিন্ন প্রকাৰসমূহ কি কি?

.....

.....

.....

প্রশ্ন নং ৫ঃ মাতৃস্থানীয় পৰিয়াল বুলিলে কি বুজা?

.....

.....

.....

প্রশ্ন নং ৬ঃ পৰিয়ালৰ বৈশিষ্ট্যসূচক চৰিত্রসমূহ কি কি? চমুকৈ উল্লেখ কৰা?
(প্রায় ১০০ শব্দৰ ভিতৰত উত্তৰ কৰিবা।)

.....

.....

.....

৫.৫ শিক্ষা

শিক্ষা হৈছে এক সামাজিক অনুষ্ঠান। ইয়াক সামাজিক অনুষ্ঠান বুলি কোৱা হয়, কাৰণ, ই হৈছে আন্তঃ সম্পর্কযুক্ত সামাজিক ভূমিকা আৰু আদর্শৰ এটা ব্যৱস্থা, যিয়ে এটা প্রজন্মৰ পৰা আন প্রজন্মলৈ জ্ঞানৰ সোঁত নিশ্চিত কৰে। শিক্ষানুষ্ঠান সমূহ কেৱল মাত্র এক অনুষ্ঠানগত সংস্থা, বিশেষকৈ শিক্ষাৰ প্রতি উৎসর্গীকৃতই নহয়, কিন্তু ই সংস্কৃতি প্রেৰণৰ এক সামাজিকভাৱে নিশ্চিত আহিলা বা মাধ্যামো।

'Education' শব্দটো আহিছে লেটিন শব্দ 'Educare' ৰ পৰা, যাৰ অর্থ 'ডাঙৰ-দীঘল কৰা' (bring up)' । শিক্ষাৰ ধাৰণাটো কেৱল ছাত্র-ছাত্রীসকলক কেতবোৰ বিষয়ত জ্ঞানৰ যোগান ধৰাটোৱেই নহয়, কিন্তু তেওঁলোকৰ মাজত সেই অভ্যাস আৰু আচৰণৰ বিকাশ ঘটোৱা, যাৰ সহায়ত তেওঁলোকে কৃতকার্য্যপূর্ণভাৱে ভৱিষ্যতৰ সন্মুখীন হ'ব পাৰে। ডুৰখেম্ (Durkheim) ৰ মতে, সমাজবিজ্ঞানৰ দেখিবলৈ পোৱা আর্হিসমূহৰ ভিতৰত এটা, শিক্ষাই ল'ৰা-ছোৱালীৰ সামাজিকীকৰণৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁ বিশ্বাস কৰে যে শিক্ষাই ল'ৰা-ছোৱালীক সামাজিক নীতি-নিয়মক আঁকোৱলী ল'বলৈ সক্ষম কৰি তোলে, যিয়ে সমাজৰ সক্রিয়তাত অৱিহনা যোগায় ।

চিকাৰ আৰু সমাৱেশৰ সমাজৰ দৰে আদিম সমাজত শিক্ষা বোলা কোনো সামাজিক অনুষ্ঠান নাছিল আৰু কোনো শাখা বা বিদ্যালয় নাছিল । ল'ৰা ছোৱালীবিলাকে পিতৃ-মাতৃৰ

পৰা যি জানিবলৈ বিচাৰিছিল, তাকে সৰলভাৱে শিকিছিল। এতেকে সামাজিকীকৰণৰ ঘৰতে আৰম্ভ হৈছিল। পৌৰাণিক ভাৰতবর্ষত 'গুৰুকুল' ব্যৱস্থা প্রচলিত আছিল, সাধাৰণতে উচ্চ বর্ণৰ ডেকালোক সকলে মহান পণ্ডিতসকলৰ লগত বাস কৰিছিল আৰু তেওঁলোকৰ পৰা শিকিছিল, ইউৰোপৰ সামন্তবাদী প্রথাত সমাজৰ শ্রেষ্ঠলোকসকলৰ সমষ্টিৰ ল'ৰা-ছোৱালীসকলে বিশেষাধিকাৰ লাভ কৰিছিল, উচ্চ বর্ণৰ ডেকালোকসকল, যাৰ কৰিবলৈ একো কাম নাছিল, তেওঁলোক বিদ্যালয়লৈ শিক্ষা গ্রহণ কৰিবলৈ গৈছিল।

সার্বজননী শিক্ষা (Universal Education) ৰ ধাৰণাটো আপেক্ষিকভাৱে এটা নতুন ধাৰণা। ইয়াৰ আৰম্ভণী হৈছিল কেৱল বিংশ শতিকাৰ আৰম্ভণীৰ পৰা, যেতিয়া প্রায় সকলোবোৰ দেশে গণ- শিক্ষাৰ ধাৰণাটো অনুশীলন কৰিবলৈ ধৰে। বিদ্যালয় হৈছে ভূমিকা আৰু সামাজিক সম্পর্ক আৰু এক আনুষ্ঠনিক সংস্থাৰ এক নিশ্চিত আর্হিৰ সৈতে এক সামাজিক ব্যৱস্থ্য। যদিও গাঁথনি আৰু কার্য্যাৱলীসমূহৰ মাজত পার্থক্য থাকে, বিদ্যালয়সমূহ মূল মাধ্যম, যিয়ে জ্ঞান, তথ্য অৰু সংস্কৃতিৰ সোঁত বিয়পায় ।

৫.৫.১ শিক্ষাৰ সংজ্ঞা

ডুৰখেমে শিক্ষাক "তৰুণ প্রজন্মৰ সামাজিকীকৰণ" ৰূপে ধাৰণা কৰিছিল। তেওঁ কয় যে ই হৈছে "ল'ৰা- ছোৱালীৰ প্রত্যক্ষ, অনুভৱ আৰু ক্রিয়াৰ ওপৰত আৰোপ কৰিবলৈ এক অবিৰত প্রয়াস, যাক তেওঁলোকে স্বতঃস্ফূর্তভাৱে প্রতিষ্ঠা কৰিব নোৱাৰে।"

এ. ডব্লিউ গ্রীনে লিখিছে- "ঐতিহাসিকভাৱে, ই (শিক্ষা) পিছত অৱলম্বন কৰা প্রাপ্তবয়স্কৰ ভূমিকাৰ বাবে তৰুণ ল'ৰা- ছোৱালীসকলৰ এক সচেতন প্রশিক্ষণক বুজায় ।" সি যি কি নহওঁক, আধুনীক পৰম্পৰাৰ দ্বাৰা শিক্ষাই বিদ্যালয়ৰ আনুষ্ঠানিক সংস্থাৰ ভিতৰত বিশেষজ্ঞ সকলৰ দ্বাৰা হোৱা প্রশিক্ষণক বুজায়।

৫.৫.২ শিক্ষাৰ কার্যাৱলী

সামাজিক অনুষ্ঠান হিচাপে শিক্ষা সমাজৰ কার্য্যৱলীৰ বাবে দায়বদ্ধ। গুৰুত্বপূর্ণ কায্যাৱলীসমূহৰ কেইটামান তলত আলোচনা কৰা হ'ল।

- সামাজিকীকৰণৰ (Socialization)ঃ শিক্ষাৰ সামজিক উদ্দেশ্য হৈছে সামাজিকীকৰণৰ পদ্ধতি। সামাজিকীকৰণ আৰম্ভ হয় ঘৰত আৰু বিদ্যায়লত চলি থাকে। ঘৰত ল'ৰা-ছোৱালীবোৰে পিতৃ-মাতৃ ৰ সৈতে তেওঁলোকৰ ভূমিকাসমূহক চিনাক্ত কৰে। বিদ্যালয়ত তেওঁলোকে প্রথমবাৰৰ বাবে বহল সমাজত নিজকে প্রদর্শন কৰে। পুৰণি, পৰম্পৰাগত সমাজত ল'ৰা-ছোৱালীয়ে প্রায় সকলোবোৰ তেওঁলোকৰ পিতৃ-মাতৃৰ পৰাই শিকিছিল। কিন্তু সমাজখন যিহেতু অধিক জটিল হৈ পৰিছে, সেয়ে ল'ৰা-ছোৱালীবোৰক ভাল প্রাপ্তবয়সক

কৰাৰ বাবে বিদ্যালয় আদিৰ দৰে আনুষ্ঠানিক সংস্থাবোৰৰ প্ৰয়োজন আছে। বিদ্যালয়ত ল'ৰা-ছোৱালীবোৰ ভিন্ন পটভূমিৰ ল'ৰা-ছোৱালীৰ লগত থাকে, তেওঁলোকে বেছিভাগ সময় তেওঁলোকৰ সতীর্থৰ লগত কটায়। সেইবাবে তেওঁলোকে, মূল্য, আদর্শ আৰু ভাৱ-ভঙ্গীৰ এক পৃথক সজ্জা শিকে।

- সাংস্কৃতিক প্ৰেৰণ (Cultural Transmission)ঃ সমাজৰ সাংস্কৃতিক পৰম্পৰাক এটা প্ৰজন্মৰ পৰা আন এটালৈ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত বিদ্যালয়ে এক অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ইয়াত সংস্কৃতিয়ে নির্দ্দেশ কৰে কেতবোৰ বিশ্বাস আৰু কৌশল, কলা, সাহিত্য আৰু দর্শনক, যিবোৰক বংশানুক্ৰমিক যান্ত্ৰিক গাঁথনিৰ মাজেৰে বহন কৰিব পৰা নাযায়। সেইবোৰ শিকিবই লাগিব। সমাজৰ পঞ্জীভূত জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ নতুন প্ৰজন্মলৈ আগবঢ়াই দিবৰ বাবে বিদ্যালয়সমূহক পৰিকল্পনা আৰু সজ্জিত কৰা হয়।
- মর্য্যদা প্ৰদান (Conferring of status)ঃ মর্য্যদা প্ৰদান হৈছে শিক্ষাৰ আন এক অতি গুৰুত্বপূর্ণ কার্য্য। শিক্ষা হৈছে মূল সামাজিক অনুষ্ঠান, যিয়ে ছাত্ৰ-ছাত্ৰীক সমাজৰ গুৰুত্বপূর্ণ ভূমিকাৰ বাবে প্ৰস্তুত কৰে। ই হৈছে মর্য্যদা, স্থান আদিৰ বাবে নির্ণায়ক যাৰ জৰিয়তে ব্যক্তিয়ে সন্মান, পুৰস্কাৰ আদি লাভ কৰিব পাৰে।

৫.৬ ধর্ম

৫.৬.১ অর্থ আৰু বৈশিষ্ট্যসমূহ

ধর্ম হৈছে সকলো মানৰ গোষ্ঠীত প্ৰায় সার্বজননীনভাৱে দেখিবলৈ পোৱা সকলো মানৰ সংস্কৃতিৰ আন এটা সাধাৰণ দিশ। ই নিৰাপত্তাৰ বাবে প্ৰয়োজনীয়তা আৰু উদ্যমৰ সামগ্ৰিক মানৰ প্ৰতিক্ৰিয়াৰ এটা দিশ, কেৱল এইখন পৃথিৱীতে নহয়, কিন্তু ইয়াৰ পিছতো; কেৱল পার্থিৱ আৰু সামাজিক পাৰিপার্শ্বিকতাৰ লগত থকা আমাৰ সম্পর্কতেই নহয়, অদৃশ্যমান অস্তিত্ব আৰু অদৃশ্যমান শক্তিতো।

ধর্মৰ সংজ্ঞা দিয়াটো বৰ কঠিন। বিভিন্ন লোকে বিভিন্ন ধৰণেৰে ইয়াৰ সংজ্ঞা আগবঢ়াইছে। ই বহুলোকৰ বাবে বহু বস্তুক বুজায় আৰু ই বিভিন্ন সংস্কৃতিত বহুতো ভিন্ন বস্তুক বুজায়।

ই. বি. টাইলৰ, এজন নৃতত্ববিদে ধর্মৰ সংজ্ঞা আগবঢ়াইছে "আধিভৌতিক সত্বাত বিশ্বাস" ৰূপে। ইমিলি ডুৰখেমে ধর্মৰ সংজ্ঞা আগবঢ়াইছে "পবিত্ৰ বস্তুৰ সৈতে সম্পর্কযুক্ত বিশ্বাস আৰু অভ্যাসৰ এক ঐক্যবদ্ধ ব্যৱস্থা, যাক ক'ব পাৰি, বস্তুক পৃথক আৰু নিষেধ কৰা- বিশ্বাস আৰু অভ্যাস, যিয়ে এটা একক নৈতিক সমাজক ঐক্যবদ্ধ কৰে যাক কোৱা হয় গীর্জা আৰু তাৰ প্ৰতি সকলো অনুগত হৈ থাকে।" (Eng. Pg-13)

বিভিন্ন সংজ্ঞাবোৰ একেলগে লৈ আমি দেখা পাও যে ধৰ্মৰ সকলো পৰম্পৰাগত সংজ্ঞাই তিনিটা দিশ সাঙুৰি লয় ঃ

- এখন অধিভৌতিক জগতত এক আধিভৌতিক সত্ত্বা বা সত্ত্বাসমষ্টিত বিশ্বাস।
- সহায়, অনুপ্রেৰণা আৰু শক্তিৰ বাবে আধিভৌতিক জগতৰ ওপৰত নিৰ্ভৰশীলতা আৰু
- আচৰণৰ আৰ্হি, অভ্যাস বা ৰীতি যিয়ে নিৰ্ভৰশীলতাক প্ৰকাশ কৰে।



জানি থোৱা ভাল

কেতবোৰ ধৰ্ম আছে যিবোৰ ধৰ্মৰ পৰম্পৰাগত সংজ্ঞাৰ সৈতে ভালদৰে খাপ নাখাবওঁ পাৰে। যদিও ধৰ্মক আধিভৌতিক সত্ত্বাক কেন্দ্ৰ কৰি বিশ্বাস আৰু অভ্যাসৰ ব্যৱস্থা হিচাপে সংজ্ঞা দিয়া হয়, তথাপি বৌদ্ধধৰ্মৰ দৰে কেতবোৰ ধৰ্মীয় গোষ্ঠী নাইবা শাখাই আধিভৌতিক উপাদানক অস্বীকাৰ কৰিছে। আন ধৰ্মবোৰৰ দৰে এনে এক ধৰ্মই এটা বিশ্ব দৰ্শনৰ যোগান ধৰে, আমাৰ চাৰিওফালৰ ঘটনা সমূহক ব্যাখ্যা কৰে আৰু সংকট, যি আমাৰ জীৱনৰত সৃষ্টি হ'ব পাৰে, তাৰ অভিমুখে ইয়াৰ উপায় আৰু আচৰণৰ আৰ্হি থাকে। মূল বৈশিষ্ট্যটো হৈছে যে এইবোৰক পবিত্ৰ বুলি ধৰা হয়।

৫.৬.২ আকাৰ বা ৰূপ

যেতিয়াৰে পৰা মানুহে অবৰ্ণনীয় ধৰণেৰে সাৰ্বিক নিয়নত্ৰণকাৰী শক্তিৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি আহিছে, তেতিয়াৰে পৰা ধৰ্মই নিজকে এক বিচিত্ৰ ৰূপত প্ৰকাশ কৰি আহিছে। মানৱ জাতিৰ সৃষ্টিকৰ্তা আৰু পৰিচালনকৰ্তা ৰূপে এজন সৰ্বোচ্ছ ঈশ্বৰৰ ওপৰত বিশ্বাস হৈছে ধৰ্মীয় বিশ্বাসৰ কেৱল এটাহে ৰূপ বা আকাৰ। ইয়াক একেশ্বৰবাদ (Monotheism) শব্দৰে নামাকৰণ কৰা হৈছে। হিন্দুসকলৰ দৰে যেতিয়া আন কিছুমান সমাজে বহু ঈশ্বৰক বিশ্বাস কৰে, তাক বহুঈশ্বৰবাদী (Polytheism) বুলি জনা যায়।

ইয়াৰ বাহিৰেও ধৰ্মীয় বিশ্বাস আৰু অভ্যাসৰ বহুতো ৰূপ আছে, যিবোৰৰ ভিতৰত কেইটামানক তলত বৰ্ণনা কৰা হ'ল ঃ

- সৰ্বপ্ৰাণবাদ (Animism) ই হৈছে এক বিশ্বাসৰ ব্যৱস্থা যাৰ মতে জীৱন্ত নাইবা নিৰ্জীৱ সকলো বস্তুৰেই আত্মাৰ সৈতে অৰ্পিত। ই আত্মা, প্ৰেতাত্মা, অশৰীৰী, পুনৰ্জন্ম, এটা আত্মাৰ পৰা আন এটা আত্মালৈ গমনৰো এক বিশ্বাস টেইল্‌ৰ (Tylor) আৰু আন কিছুমানৰ মতে, এই বিশ্বাস হৈছে ধৰ্মৰ প্ৰকৃত আৰু মৌলিক উপাদান।
- জীৱন্তবাদ (Animatism) : এইটো হৈছে এটা বিশ্বাস যে সমগ্ৰ নাইবা কেতবোৰ

গুৰুত্বপূৰ্ণ বস্তুৰে সংযোগকাৰী শক্তি ধাৰণ কৰে। ঐশ্বৰিক শক্তি সম্পন্ন জড় পূজাবাদ (Fetishism) ইয়াৰ লগত সম্পৰ্কিত এক বিশ্বাস, যাৰ মতে কিছুমান নির্দিষ্ট শিল আদিক অসাধাৰণ শক্তি ভাল বা অমংগল আছে বুলি গণ্য কৰা হয়।

- প্রতীকপূজাবাদ বা কুলচিহ্নবাদ (Totemism): বিশ্বাসৰ এই ৰূপটোত অষ্ট্রেলিয়া, আমেৰিকা আৰু আফ্রিকাৰ জনজাতিসকলে বিশ্বাস কৰে যে তেওঁলোক কোনোবা জন্তু, গছ-গছনি, আৰু বস্তুৰ পৰা আহিছে। এনেধৰণৰ জন্তু আৰু বস্তুবোৰক কুলচিহ্ন বা কুলপ্রতীক (totem) বুলি জনা যায়। দল বা গোটৰ সদস্যসকলৰ দ্বাৰা এই কুলচিহ্নবোৰক গভীৰ শ্রদ্ধা প্রদর্শন কৰা হয় ।কুলচিহ্নবাদ (totemism) মধ্যভাৰতৰ বহুতো জনজাতিৰ মাজতো প্রসাৰিত হৈ আছে।
- যাদু (Magic): যাদু হৈছে আধিভৌতিক শক্তি নাইবা কাৰকৰ বলপূৰ্বক নিয়ন্ত্রণৰ দ্বাৰা কোনো পৰিণতি উৎপন্ন কৰাৰ সৈতে জড়িত বিশ্বাস আৰু অনুশীলন। যাদুকৰৰ ফালৰ পৰা তেওঁৰ নিজৰ ইচ্ছা অনুযায়ী আধিভৌতিক সত্ত্বাই কৰা কামৰ ইচ্ছাকৃত আৰু উদ্দেশ্যপূৰ্ণ প্রচেষ্টাই হ'ল যাদু। যাদু শ্বেত নাইবা ক'লা বা কৃষ্ণ হ'ব পাৰে। শ্বেত যাদুৰ উদ্দেশ্য কোনোলোকক অনিষ্ট কৰাটো নহয়, আনহাতে, ক'লা বা কৃষ্ণ (Black magic) যাদুৰ মূল উদ্দেশ্য হৈছে কোনো লোকৰ অনিষ্ট সাধন কৰা।

যাদু আৰু ধর্মৰ মাজত এক উল্লেখযোগ্য পার্থক্য আছে। ধর্মই পৰম সত্ত্বাৰ সৈতে থকা এক অপৰিহার্য্য সম্পর্কক বুজায়, আনহাতে, যাদু প্রাথমিকভাৱে এজন লোক, যিয়ে ইয়াৰ অনুশীলন কৰে, তেওঁৰ কেতবোৰ ব্যৱহাৰিক লক্ষ্য প্রাপ্তিৰ সৈতে জড়িত। ধর্মই ঈশ্বৰৰ ইচ্ছাৰ অধীন হোৱাক সূচায়, আনহাতে, যাদু হৈছে বাস্তৱতে আধিভৌতিক শক্তিৰ প্রতি এক আদেশ বা দাবী।

৫.৬.৩ মানৱ সমাজত ধর্মৰ কার্য নাইবা ভূমিকা

সাধাৰণতে, ব্যক্তি জীৱন আৰু সামাজিক জীৱন উভয় ক্ষেত্রতে ধর্মই এক তাৎপর্য্যপূৰ্ণ ভূমিকা পালন কৰে।

- ব্যক্তিৰ প্রতি ধর্মই আৱেগিক নিৰাপত্তাৰ যোগান ধৰে।
- ই মানুহক তেওঁলোকৰ চাৰিওফালে সংঘটিত হোৱা ঘটনাবোৰক বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ সক্ষম কৰি তোলে।
- সামাজিক স্তৰত ধর্মই সামাজিক নিয়ন্ত্রণৰ এক শক্তিশালী উপায় হিচাপে কাম কৰে। ই মানৱ আচৰণক নিয়ন্ত্রণ কৰে আৰু আধিভৌতিক শক্তিসমূহৰ সদা-প্রসাৰিত শংকাৰ মাজেৰে মানৱ আচৰণক পৰিচালিত কৰে। মানুহে এই অনুভৱক তেওঁলোকৰ জীৱনত বহু পূৰ্বেই শিকিছিল।
- তাৰোপৰি, এক ধর্ম অনুসৰণ কৰা সকলো লোকৰ মাজত ধর্মই সামাজিক সমন্বয়

আৰু ঐক্যতাৰ বান্ধোন হিচাপে কাম কৰে। সি যি নহওঁক, ধর্মই যদি সেইসকল মানুহৰ মাজত যিসকলে একে ধর্মক বিশ্বাস কৰে, এক ঐক্যতাৰ সংবেদনৰ সৃষ্টি কৰে, তেন্তে একে সময়তে ই মানুহৰ মাজত গভীৰ পার্থক্যসমূহৰ সৃষ্টি প্ৰৱণ হ'ব পাৰে। ই মূলত ঃ ধর্মৰ ভুল ব্যাখ্যা বা ধাৰণাৰ বাবে হয়।



জানি থোৱা ভাল

বেছিভাগ সমাজতে আমি জন্ম, বিবাহ, মৃত্যু ব্যাধি আৰু প্ৰাকৃতিক দুর্যোগ যেনে ঃ দুর্ভিক্ষ আৰু বানপানী আৰু পৃথিৱীত ঘটা বিভিন্ন ঘটনাৰ ধর্মীয় ব্যাখ্যাৰ সন্মুখীন হওঁ। ইয়াৰ বেছিভাগ অন্ত্যেষ্টিক্ৰিয়াৰ ৰীতি-নীতি, জন্মৰ ৰীতি-নীতি আদিৰ দৰে কেতবোৰ ধর্মীয় ক্ৰিয়া-কাণ্ডৰ লগত সম্পর্কযুক্ত হৈ থাকে। আনকি যৌৱন প্ৰাপ্তি আৰু প্ৰাপ্তবয়স্কতাও ধর্মীয় আচাৰ-অনুষ্ঠান আৰু ধর্মীয় ক্ৰিয়াকাণ্ডৰ সৈতে জড়িত, যিয়ে এটা সামাজিক স্তৰৰ পৰা আন এটালৈ আৰু যদি কোনো সংকট থাকে, তাক আধিভৌতিক সত্ত্বাৰ জৰিয়তে সমাধান কৰিবলৈ নিমজ অতিক্ৰমনক বুজায়। কেৱল ৰোগ আৰু প্ৰাকৃতিক দুর্যোগেই নহয়, আনকি, জন্ম, বিবাহ আৰু মৃত্যুৰ দৰে এজন ব্যক্তিৰ জীৱনৰ ঘটনাসমূহকো কেতিয়াবা কিছুমান সংকটৰ ঘটনা হিচাপে ধৰা যায়, যিয়ে আধিভৌতিক হস্তক্ষেপৰ আৱশ্যকতা দাবী কৰে।



৫.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি শিকিলো যে-

- সামাজিক অনুষ্ঠানসমূহ আচৰণৰ আদর্শ আৰু মানদণ্ড বিশিষ্ট আৰ্হিৰ এক একত্ৰিকৰণ, যিয়ে সামাজিক জীৱনৰ মৌলিক আৱশ্যকতাখিনিক পৰিপূর্ণ কৰে।
- সামাজিক অনুষ্ঠানে সামাজিক অভিযোজনৰ এক ব্যৱস্থাক বুজায়, যিয়ে জীৱনৰ গুৰুত্বপূর্ণ পৰিসৰবোৰত সমাজত নির্দেশিত পথেৰে ব্যক্তিৰ আচৰণৰ দিক্ দর্শন কৰে।
- পৰিয়াল হৈছে মৌলিক সামাজিক অনুষ্ঠান আৰু পৰিয়ালৰ সদস্যসমূহৰ মাজৰ সম্পর্কক মানৱজাতিৰ আটাইতকৈ পুৰণি সামাজিক অনুষ্ঠান বুলি গ্ৰহণ কৰা হয়।
- শিক্ষা এক সামাজিক অনুষ্ঠান, কাৰণ ই হৈছে আন্তঃসম্পর্কযুক্ত সামাজিক ভূমিকা আৰু আদর্শৰ এক ব্যৱস্থা যিয়ে এটা প্ৰজন্মৰ পৰা আন এটালৈ জ্ঞানৰ সোঁত নিশ্চিত কৰে।
- ধর্মই আমাৰ চাৰিওফালৰ জগতখনৰ অর্থ বোধগম্য কৰাত আৰু এনে এক উপায়েৰে আচৰণ কৰিবলৈ, যিয়ে ব্যক্তি আৰু সামাজিক জীৱনৰ সংকট, এই জগত আৰু ইয়াৰ পিছৰ জগত উভয়তে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম কৰি তোলে।



৫.৮ অধিক জানিবলৈ

১) T.B. Bottomore. Sociology: A guide to problems and Literature, Mumbai; Blackie & Son (India) Ltd.

২) Madan. T.N. and D.N. Majumdar (1987). An Introduction to social Anthropology. New Delhi: National Publishing House.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) সত্য (খ) অসত্য (গ) সত্য (ঘ) অসত্য (ঙ) সত্য

২ নং প্রশ্নৰ উত্তৰঃ অনুষ্ঠান বুলিলে সামাজিক অভিযোজনৰ এক ব্যৱস্থাক বুজায়, যিয়ে জীৱনৰ গুৰুত্বপূর্ণ পৰিসৰবোৰত সমাজত নির্দেশিত পথেৰে ব্যক্তিৰ আচৰণৰ দিক্‌দর্শন কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ পৰিয়াল (Family) হৈছে এক সামাজিক অনুষ্ঠান।

৪ নং প্রশ্নৰ উত্তৰঃ গাঁথনি অনুসৰি পৰিয়ালক দুটা শ্রেণী- একক পৰিয়াল (Nuclear family) আৰু যৌথ পৰিয়াল (Joint family) ত বিভক্ত কৰা হৈছে।

৫ নং প্রশ্নৰ উত্তৰঃ মাতৃস্থানীয় (materilocal) পৰিয়ালত, বিবাহৰ পাছত দৰাজনে কইনাৰ পিতৃ-মাতৃৰ গৃহত বাস কৰিবলৈ লয়। উদাহৰণস্বৰূপে- মেঘালয়ৰ খাচী আৰু গাৰোসকল।

৬ নং প্রশ্নৰ উত্তৰঃ পৰিয়ালৰ বৈশিষ্ট্যসূচক চৰিত্রসমূহ তলত উল্লেখ কৰা হ'ল—

ক) ই সার্বজনীন (Universal) ঃ: অর্থাৎ সকলো মানৰ সমাজতে 'পৰিয়াল'ৰ উপস্থিতি থাকে।

খ) আৱেগিক ভিত্তি ঃ ই আমাৰ জৈৱিক প্রকৃতি যেনে- সহবাস, প্রজনন, মাতৃসুলভ আসক্তি পিতৃসুলভ শুশ্রূষা আদি আৱেগৰ ওপৰত প্রতিষ্ঠিত। গৌণ আৱেগসমূহ হৈছে কল্পনাপ্রৱণ প্রেম, ভালপোৱা, অর্থনৈতিক নিৰাপত্তা আৰু চিৰস্থায়ীতাৰ বাবে আকাংক্ষা ইত্যাদি।

গ) সীমিত আকাৰ ঃ পৰিয়ালৰ আকাৰ সীমিত।

ঘ) সামাজিক গাঁথনিত পৰিয়ালৰ একক স্থানঃ সৰলতম সমাজসমূহত সমাজ এখন পৰিয়ালৰ ওপৰতে গঢ় লৈ উঠে। জটিল সমাজতো পৰিয়াল আটাইতকৈ আৱশ্যকীয় অনুষ্ঠান হিচাপে চলি থাকে।

(ঙ) সভ্য বা সদস্যসকলৰ দায়বদ্ধতাঃ ই সকলো সামাজিক অনুষ্ঠানেৰে কষ্টসাধ্য ব্যাপাৰ। সভ্যসকলৰ দায়বদ্ধতা সকলো সামাজিক অনুষ্ঠানৰে কষ্টসাধ্য ব্যাপাৰ। সভ্যসকলৰ দায়বদ্ধতা সকলো সামাজিক অনুষ্ঠানেৰে আটাইতকৈ দাবীদায়ক বিষয়।

(চ) সামাজিক বিধি বা আইনঃ সামাজিক আদর্শ আৰু প্রমূল্য অনুসৰি পৰিয়ালে ইয়াৰ সদস্য সমূহৰ আচৰণ নিয়ন্ত্রণ কৰে।

(ছ) পৰিয়ালৰ সাময়িক আৰু অপৰিবর্ত্তনীয় প্রকৃতি ঃ পৰিয়াল যদিও সার্বিক আৰু চিৰস্থায়ী, কিন্তু এক সংস্থা হিচাপে মৃত্যু, নৱজন্ম, প্রব্রজন, বিচ্ছেদ আদিৰ বাবে পৰিয়ালৰ গাঁথনিৰ পৰিবর্তন হয়।

(জ) পৰিয়াল প্রকৃতিগতভাৱে দ্বিপাক্ষিকঃ ইয়াৰ দ্বাৰা পিতৃ আৰু মাতৃ উভয় পক্ষৰে আত্মীয়ক সম গুৰুত্ব আৰোপ কৰাটো বুজোৱা হয়।



৫.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ সমাজৰ আটাইতকৈ প্রাথমিক গোটটো কি?

প্রশ্ন ২ঃ একক পৰিয়াল কি?

প্রশ্ন ৩ঃ 'Education' শব্দটো ক'ৰ পৰা আহিছে?

প্রশ্ন ৪ঃ ক'ৰ পৰা পোণ প্রথম সামাজিকীকৰণ আৰম্ভ হয়?

প্রশ্ন ৫ঃ প্রাচীন ভাৰতীয় সমাজত প্রচলিত শিক্ষা ব্যৱস্থাটোক কি বুলি কোৱা হয়?

প্রশ্ন ৬ঃ কেৱল এজন পৰম ঈশ্বৰত বিশ্বাসক কি বোলা হয়?

প্রশ্ন ৭ঃ কোনে ধর্মক 'as the belief in supernatural being' বুলি ব্যাখ্যা কৰিছে?

খ) চমু প্রশ্ন (প্রায় ১০০-১৫০ মান শব্দৰ ভিতৰত উত্তৰ কৰিবা)

প্রশ্ন ১ঃ সামাজিক অনুষ্ঠানৰ সংজ্ঞা দিয়া। ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

প্রশ্ন ২ঃ পৰিয়ালৰ সংজ্ঞা দিয়া। ইয়াৰ বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৩ঃ পৰিয়াল বুলিলে কি বুজা? একক পৰিয়াল আৰু যৌথ পৰিয়ালৰ মাজত পার্থক্য নির্ণয় কৰা।

প্রশ্ন ৪ঃ সামাজিক অনুষ্ঠান হিচাপে শিক্ষাক চমুকৈ বর্ণনা কৰা।

প্রশ্ন ৫ঃ ধর্ম বুলিলে কি বুজা? মানৰ সমাজত ধর্মই কি ভূমিকা গ্রহণ কৰে?

প্রশ্ন ৬ঃ ধর্মৰ বিভিন্ন ৰূপবোৰৰ বিষয়ে এটা টোকা লিখা।

প্রশ্ন ৭ঃ যাদুৰ ওপৰত এটা চমুটোকা প্রস্তুত কৰা।

গ) দীঘলীয়া প্রশ্ন (উত্তৰ প্ৰায় ৩০০-৩৫০) শব্দৰ ভিতৰত কৰিবা।

প্রশ্ন ১ঃ সামাজিক অনুষ্ঠান হিচাপে মানৱ সমাজত পৰিয়ালৰ ভূমিকা আলোচনা কৰা।

প্রশ্ন ২ঃ পৰিয়ালৰ বিভিন্ন ৰূপসমূহ উদাহৰণসহ আলোচনা কৰা।

প্রশ্ন ৩ঃ পৰিয়ালৰ কার্য্যাৱলী বর্ণনা কৰা।

প্রশ্ন ৪ঃ শিক্ষা কি? শিক্ষাৰ কার্য্যাৱলী সমূহ আলোচনা কৰা।

প্রশ্ন ৫ঃ যাদু বুলিলে কি বুজা? ধর্ম আৰু যাদুৰ মাজত থকা পার্থক্যবোৰ কি কি? আলোচনা কৰা।

*** ***** ***